**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 20-05-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***::::::::::::::::::::::::::::::::::::::::***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত-ইটালী যুটীয়া কৌশলগত কাৰ্যকৰী পৰিকল্পনা ২০২৫-২০২৯ য়ে দেশ দুখনৰ বন্ধুত্বপূৰ্ণ সম্পৰ্কক এটা বাস্তৱিক আৰু ভৱিষ্যদৰ্শী দিশ প্ৰদান কৰিব বুলি প্ৰকাশ কৰিছে।
২। ৰাষ্ট্ৰসংঘই চলিত বৰ্ষত ৬ দশমিক ৪ শতাংশ বৃদ্ধিৰে ভাৰত বিশ্বৰ আটাইতকৈ দ্ৰুত গতিত বিকশিত বৃহৎ অৰ্থনীতি হিচাপে পৰিগণিত হৈছে বুলি উল্লেখ কৰিছে।
৩। ৰাজস্থানৰ সীমান্তৱৰ্তী জিলা কাচপ আৰু ৰাজধানী দিল্লীৰ সৈতে সংযোগ কৰা নতুন ৰে'লসেৱা শীঘ্ৰেই আৰম্ভ হ'ব।
৪। সাংস্কৃতিক মন্ত্ৰালয়ে বন্দে মাতৰম ফ্ৰেগুছ চলচ্চিত্ৰ নিৰ্মাণ প্ৰতিযোগিতাৰ বাবে প্ৰৱেশ পত্ৰ জমা দিয়াৰ তাৰিখ ৩১ মে' লৈ বৃদ্ধি কৰিছে। ***আৰু***
৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি অনুষ্ঠিত খেলত কলকাতা নাইট ৰাইডাৰ্ছে টছত জিকি প্ৰথমে বলিং কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি ৰোমত ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেলনিৰ সৈতে ভাৰত আৰু ইটালীৰ দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন দিশ উন্নীত কৰাৰ সন্দৰ্ভত এখন গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত ব্যৱসায়, বিনিয়োগ, প্ৰযুক্তি, প্ৰতিৰক্ষা, নিকা শক্তি, আৰু কৌশলগত অংশীদাৰিত্বৰ ক্ষেত্ৰত থকা সহযোগিতা অধিক উন্নত কৰা বিষয় সন্দৰ্ভত গুৰুত্ব আৰোপ কৰা হয়। নেতা দুগৰাকীয়ে পাৰস্পৰিক স্বাৰ্থ জড়িত আঞ্চলিক আৰু গোলকীয় বিকাশৰ বিষয়সমূহৰ ওপৰত আলোকপাত কৰে। এই আলোচনাই দেশ দুখনৰ মাজত বৃদ্ধি পোৱা কৌশলগত অংশীদাৰিত্ব বিশেষকৈ অৰ্থনৈতিক সহযোগিতাৰ প্ৰসাৰ আৰু জনসাধাৰণৰ মাজৰ ভাতৃত্ববোধকে প্ৰতিফলিত কৰিছে।

এই প্ৰতিনিধি পৰ্যায়ৰ বৈঠকৰ পাছত নেতা দুগৰাকীৰ এখন যুটীয়া সংবাদমেলো সম্বোধন কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰত আৰু ইটালীয়ে দ্বিপাক্ষিক বন্ধুত্বপূৰ্ণ সম্পৰ্কক এটা বিশেষ কৌশলগত অংশীদাৰিত্বৰ সম্পৰ্কতো উন্নীত কৰাৰ বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰা হৈছে বুলি ঘোষণা কৰে। তেওঁ কয় যে ভাৰত-ইটালী যুটীয়া কৌশলগত কাৰ্যকৰী পৰিকল্পনা ২০২৫-২০২৯ য়ে বন্ধুত্বপূৰ্ণ সম্পৰ্কক এটা বাস্তৱিক আৰু ভৱিষ্যদৰ্শী দিশ প্ৰদান কৰিব। তেওঁ লগতে কয় যে উভয় দেশে সহযোগিতা বৃদ্ধি কৰাৰ লগতে ভাৰত-ইটালী উদ্ভাৱনী কেন্দ্ৰ স্থাপন কৰাৰ বিষয়েও পুংখানুপুংখ আলোচনা কৰে। ভাৰত - ইটালীয়ে জাহাজ পৰিবহন, বন্দৰৰ আধুনীকিকৰণ আৰু সামুদ্ৰিক অৰ্থনীতিৰ ক্ষেত্ৰত একেলগে কাম কৰি যাব বুলিও শ্ৰীমোদীয়ে উল্লেখ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে জৰ্জিয়া

মেলোনিৰ নেতৃত্বত দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কই এটা নতুন গতি লাভ কৰিছে। ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়ে মেলোনিয়ে কয় যে ভাৰত আৰু ইটালীয়ে দেশ দুখনৰ মাজৰ সম্পৰ্কক বিশেষ কৌশলগত অংশীদাৰিত্ব সম্পৰ্কলৈ উন্নীত কৰিছে। শ্ৰীমেলোনিয়ে ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলত সুবিধাজনক জাহাজ পৰিবহনৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে।

০০০০০

ইৰাণৰ সংঘাতৰ ফলত বিশ্বজুৰি অনিশ্চয়তাৰ সৃষ্টি হোৱাৰ পাছতে ৰাষ্ট্ৰসংঘই চলিত বৰ্ষত ৬ দশমিক ৪ শতাংশ বৃদ্ধিৰে ভাৰত বিশ্বৰ আটাইতকৈ দ্ৰুত গতিত বিকশিত বৃহৎ অৰ্থনীতি হিচাপে পৰিগণিত হৈছে। ৰাষ্ট্ৰসংঘৰ জ্যেষ্ঠ অৰ্থনীতিবিদ ইংগো পিটাৰলে বছৰৰ মাজ ভাগত বিশ্ব অৰ্থনৈতিক পৰিস্থিতি আৰু সম্ভাৱনাৰ সন্দৰ্ভত সাংবাদিকৰ আগত দাঙি ধৰা তথ্য অনুসৰি ভাৰতত বৃদ্ধি পোৱা গ্ৰাহকৰ চাহিদা, ৰাজহুৱা বিনিয়োগ আৰু সেৱা ৰপ্তানীৰ বৃদ্ধিয়ে ইয়াৰ অৰ্থনীতিত সহায় কৰিছে। প্ৰতিবেদনখনে ভাৰতৰ মুঠ ঘৰুৱা উৎপাদন পূৰ্বৰ ৬ দশমিক ৬ শতাংশৰ পৰা ৬ দশমিক ৪ শতাংশলৈ কিছু হ্ৰাস কৰিছে। কিন্তু অহা বছৰ মুঠ ঘৰুৱা উৎপাদনৰ হাৰ পুনৰ বৃদ্ধি পাব বুলি আশা প্ৰকাশ কৰিছে। ৰাষ্ট্ৰসংঘৰ অৰ্থনৈতিক বিশ্লেষণ আৰু নীতি বিভাগৰ সঞ্চালক শান্তনু মুখাৰ্জীয়ে ভাৰতৰ বৈচিত্ৰপূৰ্ণ অৰ্থনীতি, গাথনিগত সংস্কাৰ আৰু উন্নত কৰ ৰাজহক মূল শক্তি হিচাপে আলোকপাত কৰে। ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদনত উল্লেখ কৰা হৈছে যে ভাৰতৰ বৈচিত্ৰপূৰ্ণ শক্তিৰ উৎস, শক্তিশালী শোধন ক্ষমতা, বৃহৎ বৈদেশিক মুদ্ৰা মজুত আৰু বিত্তীয় নমনীয়তাই মধ্য প্ৰাচ্যৰ উত্তেজনা আৰু হৰমুজ জলদ্বীপত লোৱা ব্যাঘাতৰ ফলত তেলৰ মূল্য বৃদ্ধিৰ প্ৰভাৱ কমোৱাত সহায় কৰিব পাৰে।

০০০০০

ৰাজস্থানৰ সীমান্তৱৰ্তী জিলা কাচপ আৰু ৰাজধানী দিল্লীৰ সৈতে সংযোগ কৰা নতুন ৰে'লসেৱা শীঘ্ৰেই আৰম্ভ হ'ব। দীৰ্ঘদিনীয়া দাবীৰ পাছতে পশ্চিম ৰে'লৱে নতুন ৰেল সেৱা আৰম্ভ কৰাৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। আকাশবাণীৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি শুকুৰবাৰে কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে ৰে'লৰ ফ্লেগ অফ কৰিব। পশ্চিম ৰে'লৱেৰ চৰকাৰী সূত্ৰৰ অনুসৰি ৰাজস্থানৰ জালোৰ - ভিন্দি আৰু পালি হৈ দিল্লী পোৱাৰ পূৰ্বে যাত্ৰা আৰম্ভ কৰিব। ভুজৰ পৰা পুৱা এঘাৰ বজাত যাত্ৰা আৰম্ভ কৰা এই ৰেলখনে পিছদিনা প্ৰায় একে সময়তে দিল্লীত উপস্থিত হ'ব। এই ৰেলসেৱাৰ প্ৰৱৰ্তনৰ ফলত বৰ্তমানৰ ভুজ-বাৰেলী আৰু ভুজ - দিল্লীৰ চেৰাই ৰোহিল্লা ৰে'লত যাত্ৰীৰ বোজা হ্ৰাস পাব বুলি আশা কৰা হৈছে। ইয়াৰ উপৰিও কচ্ছ পৰা ৰাজস্থানৰ কেইবাখনো ডাঙৰ চহৰৰ লগতে ৰাজধানীলৈও উন্নত ৰে'ল সংযোগৰ ব্যৱস্থা কৰা হব বুলি প্ৰকাশ কৰে।

০০০০০

সাংস্কৃতিক মন্ত্ৰালয়ে বন্দে মাতৰম ফ্ৰেগুছ চলচ্চিত্ৰ নিৰ্মাণ প্ৰতিযোগিতাৰ বাবে পূৰ্বৰ ৭ মে'ৰ পৰিৱৰ্তে ৩১ মে' লৈ প্ৰৱেশ পত্ৰ জমা দিয়াৰ তাৰিখ বৃদ্ধি কৰিছে। এই প্ৰতিযোগিতাৰ লক্ষ্য হৈছে জাতিটোৰ ঐতিহ্যৰ গৌৰৱ পুনৰ জগাই তোলা আৰু ইয়াৰ স্বাধীনতা গঢ় দিয়া আদৰ্শসমূহৰ সৈতে এক সংযোগৰ সৃষ্টি কৰি ভৱিষ্যতৰ সংজ্ঞা অব্যাহত ৰখা। উল্লেখযোগ্য যে প্ৰতিযোগিতাখনে চলচ্চিত্ৰ নিৰ্মাতা, পৰিচালক আৰু নাগৰিকসকলক বন্দে ভাৰতৰ পুনৰ কল্পনা কৰাত জড়িত কৰিবলৈ চেষ্টা কৰে। এই প্ৰতিযোগিতাখন ৰীল, কৃত্ৰিম বুদ্ধিমত্তা ভিত্তিক ছবি আৰু ছুটি ছবিকে লৈ তিনিটা শিতানত অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে বিভিন্ন শিতানত ৫০ লাখ টকা পৰ্যন্ত মূল্যৰ বঁটা প্ৰদান কৰা হব বুলি জনোৱা হৈছে।

০০০০০

বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড০ জীতেন্দ্ৰ সিঙে আজি কয় যে নিয়োগ আৰু ব্যৱসায়ী সুযোগৰ সৈতে সংযুক্ত হ'লে ভাষা এটাৰ বৃদ্ধি দ্ৰুত হয়। তেঁও দৃঢ়তাৰে কয় যে হিন্দী বাধ্যতামূলক কৰা হোৱা নাই যদিও চৰকাৰী কাম, বিজ্ঞান প্ৰযুক্তি আৰু জনসাধাৰণৰ অংশগ্ৰহণৰ জৰিয়তে ভাষাটো প্ৰচাৰ কৰা হৈছে। নতুন দিল্লীৰ বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰালয়ৰ হিন্দী পৰামৰ্শদাতা সমিতিৰ বৈঠকৰ অধ্যক্ষতা কৰি ড০ সিঙে কয় যে যেতিয়া কোনো ভাষা জীৱিকাৰ সৈতে জড়িত হৈ পৰে তেতিয়া ইয়াৰ গ্ৰহণযোগ্যতা স্বাভাৱিকতে সম্প্ৰসাৰিত হয়। বিশেষকৈ বহুজাগতিক কোম্পানীসমূহৰ কৰ্মসংস্থাপনৰ চাহিদা বৃদ্ধিৰ বাবে যুৱক-যুৱতীসকলৰ মাজত হিন্দী শিকিবলৈ আগ্ৰহ বৃদ্ধি পোৱাৰ কথা মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ দৰ্শকৰ মাজলৈ যাবলৈ ডিজিটেল প্লেটফৰ্মত সৰল হিন্দী ভাষাত বৈজ্ঞানিক আৰু কাৰিকৰী বিষয়বস্তু উপলব্ধ কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে মাতৃ ভাষাত শিক্ষাই বুজাবুজিৰ উন্নতি সাধন কৰে আৰু কাৰিকৰী শব্দসমূহে বিশ্বৰ প্ৰতিযোগিতামূলক ক্ষমতা নিশ্চিত কৰে বুলি উল্লেখ কৰে। শ্ৰীসিঙে বৈজ্ঞানিক গৱেষণা আৰু প্ৰশাসন আৰু ডিজিটেল যোগাযোগৰ ক্ষেত্ৰত হিন্দীৰ ব্যৱহাৰ সম্প্ৰসাৰণৰ ব্যৱস্থাৰ বিষয়েও গুৰুত্ব সহকাৰে উল্লেখ কৰে।

০০০০০

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে প্ৰশ্নকাকত ফাদিল হোৱাৰ বাবে নতুনকৈ অনুষ্ঠিত হ'বলগীয়া চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ নামভৰ্তি পৰীক্ষা - নীটত নিৰাপদ, সুৰক্ষিত আৰু ন্যায্য পৰিচালনা সুনিশ্চিত কৰিবলৈ অধিক সতৰ্কতা আৰু কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। নতুন দিল্লীত আজি কেন্দ্ৰীয় নিৰাপত্তা আৰু চোৰাংচোৱা সংস্থাসমূহৰ সৈতে এক উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকৰ অধ্যক্ষতা কৰি শ্ৰীপ্ৰধানে এই কথা প্ৰকাশ কৰে। বৈঠকৰ সময়ৰ বেনামী অনলাইন গ্ৰুপৰ জৰিয়তে প্ৰতিযোগিতামূলক পৰীক্ষাৰ সৈতে জড়িত ভুল তথ্যৰ ক্ৰমবৰ্ধমান বিস্তৃতিত লৈও উদ্বেগ প্ৰকাশ কৰে। বিষয়টোৰ প্ৰতি লক্ষ্য ৰাখি শ্ৰীপ্ৰধানে শিক্ষা মন্ত্ৰালয়, ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা আৰু আইন প্ৰয়োগকাৰী সংস্থাসমূহৰ সৈতে ঘণিষ্ঠ সমন্বয়ৰে কাম কৰি ভুল তথ্য সমূহ ক্ষীপ্ৰতাৰে ৰোধ কৰি পৰীক্ষা ব্যৱস্থা সুকলমে পৰিচালনা কৰিব লাগিব বুলি উল্লেখ কৰে।

০০০০০

পশ্চিমবংগৰ মুখ্যমন্ত্ৰী সুবেন্দু অধিকাৰীৰ অধ্যক্ষতাত আজি শিলিগুৰিৰ উত্তৰ বংগ সচিবালয়ত এখন গুৰুত্বপূৰ্ণ প্ৰশাসনিক পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত শ্ৰীঅধিকাৰীয়ে কয় যে উত্তৰ বংগৰ সামগ্ৰিক উন্নয়ন তেওঁৰ চৰকাৰৰ শীৰ্ষ অগ্ৰাধিকাৰৰ বিষয়। বৈঠকত সাংসদ আৰু বিধায়কৰ লগতে উত্তৰ বংগৰ দাৰ্জিলিং, কালিমপগ, জলপাইগুৰি, আলিপুৰদুৱাৰ আৰু কোচবিহাৰৰ ৫ খন জিলাৰ অসামৰিক আৰু আৰক্ষী প্ৰশাসনিক বিষয়াই ভাগ লয়। কেবিনেট মন্ত্ৰী দিলীপ ঘোষ, নিশিত প্ৰামানিক, মুখ্য সচিব মনোজ আগৰৱালেও বৈঠকত উপস্থিত থাকে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাই ইণ্ডিয়ানছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। কলকাতা নাইট ৰাইডাৰ্ছে টছত জয়ী হৈ মুম্বাই ইণ্ডিয়ানছক প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ জনায়।

০০০০০

ঃঃ সমাপ্ত ঃঃ